অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যা ঃ (Problems of Secondary Education in Assam)

অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ দিশত নতুন নতুন সমস্যাৰ সৃষ্টি হৈ থকা দেখা যায়। সংখ্যাগত দিশত স্কুলৰ সংখ্যা আৰু ছাত্ৰৰ সংখ্যা বৃদ্ধি হৈ উঠিছে যদিও ই শিক্ষাৰ গুণগত দিশত বিৰূপ প্ৰভাৱ পেলাইছে। বৰ্ত্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱৰ ফলত শিক্ষাৰ নীতি আৰু পদ্ধতিত বিভিন্ন দিশৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে যদিও আমাৰ মাধ্যমিক শিক্ষাৰ পদ্ধতি আৰু নীতিত উপযুক্ত উন্নয়ন সাধন কৰা হোৱা নাই। দেশৰ স্বাধীনতাৰ অৰ্ধ শতিকা অতিক্ৰম কৰি উঠি একৈশৰ নতুন শতিকাত প্ৰৱেশৰ বাবে যুৱক-যুৱতীসকলক প্ৰয়োজনীয় প্ৰস্তুতি অসমৰ মাধ্যমিক শিক্ষাই দিব পৰা নাই। সেয়েহে এই প্ৰসংগত ইয়াৰ অন্তৰ্নিহিত কেতবোৰ দোষ-দুৰ্বলতা তলত বিচাৰ কৰা হ'ল—

(১) **ঠেক গণ্ডীৰ উদ্দেশ্য ঃ** আমাৰ অসমৰ মাধ্যমিক শিক্ষাই মেট্ৰিকুলেশ্বন পৰীক্ষা পাছ কৰি উচ্চ শিক্ষালাভ কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ ফলত শিক্ষাৰ্থীয়ে পৰীক্ষাত পাছ কৰাৰ ওপৰত গুৰুত্ব দান কৰে। ফলত মাধ্যমিক শিক্ষাৰ উদ্দেশ্যও অতিশয় ঠেক গণ্ডীৰ হৈ পৰিছে। ইংৰাজ চৰকাৰে চাকৰিয়াল নিয়োগৰ কাৰণে এনে শিক্ষাত গুৰুত্ব দিলেও বৰ্তমান সমাজত ই উপযুক্তভাৱে নাগৰিকৰ মূল্যবোধ আদৰ্শ, কৰ্মদক্ষতা নিপুনতা আদি গুণ গঠন কৰিবলৈ সমৰ্থ হোৱা নাই।

(২) **ঠেক গণ্ডীৰ পাঠ্যক্ৰম ঃ** বৰ্তমান সময়ত মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম উদ্দেশ্যৰ লগত সংগতি ৰাখি বিষয় জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ ফলত ঠেক গণ্ডীৰ হৈ পৰিছে। পাঠ্যক্ৰম প্ৰস্তুত কৰোঁতে

Scanned with CamScanner

সামাজিক মনস্তাত্বিক আৰু ব্যক্তিগত প্ৰয়োজন আৰু বিভিন্নতাৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। ফলত ই এক শ্ৰেণী ছাত্ৰৰ বাবে উপযুক্ত হলেও বেছি সংখ্যকৰ কাৰণে বোজা হৈ পৰে যাৰ কাৰণে শেষ পৰীক্ষাত অধিক সংখ্যক শিক্ষাৰ্থী অকৃতকাৰ্যতা হোৱা দেখা যায়। গণতান্ত্ৰিক দেশত জনসম্পদৰ এনে অপচয় হোৱাটো উঠিত নহয়।

(৩) **পৰীক্ষা ব্যৱস্থাৰ ত্ৰুটি ঃ** মাধ্যমিক স্কুলৰ শেষ পৰীক্ষাই শিক্ষাৰ্থীৰ বিকাশৰ নিৰ্ণয় কৰিব নোৱাৰে। এই পৰীক্ষা বিষয়কেন্দ্ৰিক হোৱা বাবে ই ব্যক্তিত্বৰ আন দিশসমূহ মূল্যায়ন কৰিব নোৱাৰে। ই শিক্ষাৰ্থীৰ চিন্তা, যুক্তি, উদ্ভাৱনী শক্তি পৰীক্ষা কৰাত ব্যৰ্থ হয়। উন্নত দেশত কৰাৰ নিচিনা অহৰহ মূল্যায়নৰ ব্যৱস্থাই আমাৰ দেশৰ মাধ্যমিক স্কুলত নথকাৰ কাৰণে শিক্ষাৰ্থীৰ অৰ্হতা, দক্ষতা, লাভৰ ওপৰত নিৰপেক্ষ মূল্যায়ন নহয়।

(৪) **পাঠ্যপুথিৰ দোষ ঃ** অসমৰ মাধ্যমিক স্তৰত যিবোৰ পাঠ্যপুথি প্ৰস্তুত কৰা হয় সেইবোৰে শিক্ষাৰ্থীৰ চিন্তা শক্তি নবঢ়ায়। বেছিভাগ পাঠ্যপুথিতে ব'ৰ্ডে নিৰ্দিষ্ট কৰি দিয়া তালিকাৰ বিষয়সমূহ পৰীক্ষাত পাছ কৰাৰ উদ্দেশেৰে লিখা কাৰণে শিক্ষাৰ্থীয়ে মুখস্থ কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। লিখকসকলেও নতুন পদ্ধতিৰে লিখাৰ প্ৰশিক্ষণ নোপোৱাৰ কাৰণে পাঠ্যপুথি প্ৰস্তুত কৰোতে পৰীক্ষামূলক প্ৰচেষ্টা হাতত নলয়।

(৫) **প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ ঃ** শিক্ষকসকল প্ৰশিক্ষণ প্ৰাপ্ত নোহোৱাৰ বাবে শ্ৰেণীত গতানুগতিকভাৱে পঢ়ুৱায়। তেখেতসকলে কিতাপত থকা বিষয়বস্তুৰ বাহিৰে পাঠ প্ৰস্তুতিৰ ক্ষেত্ৰত আন আন বিষয়বস্তু উপস্থাপন কৰাৰ কথা নাভাৱে। নতুন শিক্ষা পদ্ধতিৰ লগত সম্বন্ধ নথকাৰ কাৰণে তেওঁলোকে ডল্টন পদ্ধতি, প্ৰজেক্ট, পদ্ধতি, কামৰ মাজেৰে শিক্ষা আদি নতুন পদ্ধতি ব্যৱহাৰ নকৰে। কৰ্ম অভিজ্ঞতাৰ বাবে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক পোৱা নাযায়।

(৬) **মাধ্যমিক স্কুলৰ বৈষয়িক সমস্যা ঃ** অসমৰ বেছিভাগ মাধ্যমিক স্কুলৰে ঘৰ, শ্ৰেণীকোঠা আদিৰ অৱস্থা শোচনীয়। বহুতো স্কুলত শিক্ষাৰ্থীৰ সংখ্যা বেছি হোৱা বাবে বহিবলৈ ডেস্ক-বেঞ্চৰ অভাৱ দেখা যায়। নতুন বিষয় আৰম্ভ কৰিবলৈ শ্ৰেণী নাথাকে। বহুতো স্কুলত ৰসায়নগাৰ, গ্ৰন্থাগাৰ, খেলপথাৰ, সঙ্গীতৰ কোঠা, সমাবেত হোৱাৰ প্ৰেক্ষাগৃহ আদি নাই। স্কুলখনক পৰিষ্কাৰ পৰিচন্ন্ কৰি আকৰ্ষিত কৰাৰ বাবে প্ৰয়োজনীয় সুবিধাবোৰো নাই।

(৭) **শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ কম ঃ** শিক্ষকৰ ব্যক্তিত্বৰে নিজক গঢ়ি তুলিবলৈ শিক্ষাৰ্থীয়ে শিক্ষকৰ ওচৰ চাপিব নোৱাৰে। এটা শ্ৰেণীত ৪৫ জনতকৈ বেছি সংখ্যক শিক্ষাৰ্থী থকাৰ বাবে শিক্ষকে সকলোকে সমানে মনোযোগ দিব নোৱাৰে। শিক্ষাৰ্থীৰ সংখ্যা বেছি হোৱা বাবে শিক্ষকে ঘৰুৱা কাম আদি দি শিক্ষাৰ্থীক নিজৰ ওচৰ চপাই আনিব নোৱাৰে।

(৮) **শিক্ষাৰ্থীসকলৰ অনুশাসনহীনতা ঃ** অৰ্থনৈতিক শৈক্ষিক আৰু সামাজিক কাৰণত শিক্ষাৰ্থীৰ মাজত অনুশাসনহীনতাই দেখা দিছে। শিক্ষাৰ্থীৰ লগত শিক্ষকৰ সম্পৰ্ক ব্যক্তিগত নোহোৱা বাবে শিক্ষকে শিক্ষাৰ্থীসকলক নিয়ন্ত্ৰণত ৰাখিব নোৱাৰে। শিক্ষাৰ্থীসকলে পৰীক্ষাত নকল কৰা, অপমান কৰা, শিক্ষকক ভয় দেখুৱা আদি কাৰ্য ইয়াৰে পৰিণতি বুলি কব পাৰি। শিক্ষকৰ সংখ্যা কম হোৱা বাবে সৰু সৰু ভাগত ভোগাই শিক্ষাৰ্থীসকলক শিক্ষা দিয়াত অসুবিধাৰ সৃষ্টি হয়।

(৯) **কৰ্তৃপক্ষ, শিক্ষক, অভিভাৱকৰ উদাসীনতা ঃ** মাধ্যমিক শিক্ষাৰ উন্নতিৰ কাৰণে বহুত চেষ্টা কৰা হৈছে যদিও মাধ্যমিক শিক্ষাৰ মানদণ্ড বৰ বেছি ওপৰলৈ এতিয়াও লৈ যাব পৰা হোৱা নাই। চৰকাৰে যদিও বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দিছে কিন্তু বেছিভাগ স্কুলতে ৰসায়নগাৰ নাই। শিক্ষাৰ্থীয়ে ৰসায়নগাৰত পৰীক্ষা নকৰাকৈ শ্ৰেণীত শিকি পৰীক্ষাত বহে, শিক্ষকসকলেও ছাত্ৰৰ লগত যি সম্বন্ধ স্থাপন কৰিব লাগে, শিক্ষণ পদ্ধতি উন্নত কৰাত যি উৎসাহ দেখুৱাব লাগে তাক নেদেখুৱায় আৰু অভিভাৱকসকলেও স্কুলৰ উন্নতিৰ কাৰণে আচল ব্যৱস্থা লবলৈ কৰ্তৃপক্ষক বাধ্য নকৰায়। বহুতো স্কুলক অভিভাৱক-শিক্ষক সন্মিলনো নাই। ফলত মাধ্যমিক শিক্ষাত গতানুগতিকভাৱে ছাত্ৰ-ছাত্ৰীক বিষয় কেন্দ্ৰিক জ্ঞান দিয়া হয়।

(১০) **সামাজিক পৰিবেশৰ অভাৱ ঃ** স্কুলত শিক্ষাৰ্থীৰ সামাজিক দক্ষতা বঢ়াবলৈ নৈতিক আৰু মাধ্যমিক গুণসমূহ লাভ কৰিবলৈ যেনে ধৰণৰ, সামাজিক পৰিবেশৰ প্ৰয়োজন তাক সৃষ্টি কৰিব পৰা না। সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী ভালদৰে সংগঠন নকৰাৰ কাৰণে শিক্ষক আৰু শিক্ষাৰ্থীয়ে ইয়াত সক্ৰিয় অংশ গ্ৰহণ নকৰে। স্কুলত দলীয় গোট বা হাউস চিষ্টেম নথকাৰ কাৰণে শিক্ষাৰ্থীৰ দলৰ প্ৰতি আনুগত্যও কম হয়। ফলস্বৰূপে, সামাজিক সচেতনা, সহযোগ দলীয় মনোভাৱ, ত্যাগ আৰু দলৰ বাবে কাম কৰাৰ মনোভাৱ আদিয়ে ভালদৰে গঢ় ল'ব নোৱাৰে।

(১১) **স্বাস্থ্য সম্বন্ধীয় সেৱাৰ অভাৱ ঃ** শিক্ষাত দেহ-মন বিকাশৰ প্ৰশ্ন আছে যদিও, বিশেষকৈ মাধ্যমিক স্তৰৰ শিক্ষাত দৈহিক বিকাশৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে। কিন্তু আমাৰ শিক্ষাত সেই কথাটোৰ ওপৰত গুৰুত্ব দিয়া নহয়। আমাৰ মাধ্যমিক শিক্ষাত দৈহিক পৰীক্ষাৰ অভাৱৰ লগতে নিয়মীয়াকৈ শাৰীৰিক ব্যায়াম, খোল-ধূলা কৰা আদিৰ ব্যৱস্তা বিজ্ঞানসন্মতভাৱে কৰিব পৰা নাই।

(১২) **ব্যক্তিৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব দিয়া নহয় ঃ** মাধ্যমিতক স্কুলবিলাকত কেৱল জ্ঞান অৰ্জনৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণে ব্যক্তিৰ বিভিন্নতালৈ বেছি মনোযোগ দিব নোৱাৰে। ফলত ব্যক্তিৰ বিশেষ শক্তি, অনুৰাগ আৰু অভিৰুচিসমূহে এতিয়াও বিকাশৰ সুবিধা পোৱাৰ ব্যৱস্থা কৰা হোৱা নাই। ব্যক্তিৰ বিভিন্নতাই স্বীকৃতি নোপোৱাৰ কাৰণে বহুতো শিক্ষাৰ্থীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিব নোৱাৰে।

(১৩) **শিক্ষাৰ্থীৰ জীৱন আৰু সমাজৰ লগত সম্বন্ধ নথকা শিক্ষা ঃ** শিক্ষাৰ্থীসকল যে সমাজৰ এটা অংশ তাক বুজিবলৈ সামাজিক অনুষ্ঠানসমূহত তেওঁলোকে ভাগ লোৱাৰ সুবিধা থাকিব লাগে।

Scanned with CamScanner

সমাজৰ বিভিন্ন ব্যক্তিক স্কুলৰ পৰিচালিত সভা, আলোচন চক্ৰ, প্ৰদৰ্শনী আৰু সাংস্কৃতিক সমাৰোহত নিমন্ত্ৰণ কৰিব লাগে। কিন্তু বৰ্তমান এনেকুৱা পৰিবেশ সৃষ্টি হোৱা নাই।

(১৪) **অপচয় ঃ** মাধ্যমিক স্তৰত প্ৰাথমিক স্তৰৰ দৰে শিক্ষাৰ্থীৰ অপচয় হয়। বহুতে পাঠ্যক্ৰম সম্পূৰ্ণ নকৰি মাজতে শিক্ষা এবাৰ ফলত তেওঁলোকে কোনো ফালৰ পৰা নিজকে উপযুক্তভাৱে প্ৰস্তুত কৰিব নোৱাৰে।

(১৫) **পৰিদৰ্শনৰ অভাৱ ঃ** মাধ্যমিক স্কুলত নিয়মিতভাৱে পৰিদৰ্শন নকৰাৰ ফলত শিক্ষণৰ মানদণ্ডও বহুত কমি গৈছে। নিয়মিতভাৱে পৰিদৰ্শন কৰিলে শিক্ষকৰ শিক্ষণ প্ৰস্তুতি, শিক্ষাৰ্থীৰ অনুশাসন, স্কুলৰ পৰিষ্কাৰ পৰিচন্নতা আদিৰ উন্নয়ন হ'লহেতেন।

(১৬) **নিৰ্দেশনাৰ অভাৱ ঃ** স্কুলত শৈক্ষিক, বৃত্তিমূলক আৰু পাৰিবাৰিক নিৰ্দেশনাৰ অতি প্ৰয়োজন। বিষয় আৰু কৰ্মৰ বাছনিত যেনেকৈ নিৰ্দেশনাৰ প্ৰয়োজন, ঠিক একে কাৰণতে বৃত্তিমূলক নিৰ্দেশনাৰো প্ৰয়োজন। এই সময়ত বিশেষকৈ বয়সন্ধি কালত যুৱক-যুৱতীসকলৰ বহুতো ব্যক্তিগত সমস্যাৰ সৃষ্টি হয়। গতিকে এই সমস্যাবিলাকৰ সমাধান কৰিবলৈ বহুতো ব্যক্তিগত নিৰ্দেশনাৰ প্ৰয়োজন হয়। কিন্তু আমাৰ মাধ্যমিক স্তৰত এতিয়াও ব্যক্তিগত নিৰ্দেশনাৰ কোনো সুবিধা নাই।

(১৭) **বৃত্তিমূলক শিক্ষাৰ অভাৱ ঃ** মাধ্যমিক স্তৰত বৃত্তিমূলক শিক্ষাক বিষয় কেন্দ্ৰিক শিক্ষাৰ লগত সমানে মৰ্যদা নিদিয়াৰ ফলত ইয়াত, বৃত্তিমূলক শিক্ষাই জনপ্ৰিয়তা লাভ কৰিব পৰা নাই। কিন্তু ব্যক্তি বিভিন্নতালৈ লক্ষ্য ৰাখি স্কুলত কিছুমান বৃত্তি উন্নতভাৱে শিকোৱাৰ ব্যৱস্থা কৰিব লাগিছিল। কিন্তু বৃত্তি শিক্ষা নিদিয়াৰ ফলত বহুতে শ্ৰমৰ মৰ্যদা বুজি উঠিব নোৱাৰে।

অসমৰ মাধ্যমিক শিক্ষাৰ সংস্কাৰৰ (Suggestions for the Reform of Secondary Education)

পৰামৰ্শাৱলী ঃ

এখন সমাজৰ বাবে মাধ্যমিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি বেছি। সাধাৰণতে, দেখা যায় মাধ্যমিক স্তৰত ল'ৰা বা ছোৱালীৰ বয়সৰ সীমা হয় আৰম্ভণীৰ পৰা শেষলৈ প্ৰায় ১৬/১৭ বছৰ। এইখিনি সময় মানৱ শিশুৰ বিকাশৰ ধাৰা সুশৃঙ্খলীতভাৱে নিবৰ বাবে উপযুক্ত শিক্ষাৰ অতি প্ৰয়োজন। তাৰোপৰি বহুসংখ্যক ছাত্ৰ-ছাত্ৰী এই স্তৰত অন্তত শিক্ষা শেষ কৰি সমাজৰ বিভিন্ন দিশত মিলি যায়। সেয়েহে কব পাৰি যে সমাজৰ দায়িত্বশীল নাগৰিক আৰু মধ্যম বৰ্গৰ সুনিপুন কৰ্মী মাধ্যমিক শিক্ষাই গঢ় দি তুলিব নোৱাৰিলে তেনে সমাজৰ সামাজিক স্থিৰতা আৰু অৰ্থনৈতিক স্বচ্ছলতা আশা কৰিব নোৱাৰি। এনেবোৰ কথাৰ বিবেচনাৰে অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ সমাধানৰ কথা চিন্তা কৰাটো প্ৰয়োজন। তলত কেইটামান পৰামৰ্শ আলোচনা কৰা হ'ল—

Scanned with CamScanner

(১) মাধ্যমিক স্কুলবোৰৰ বৈষয়িক অৱস্থা উন্নত কৰি তোলাৰ কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰি তুলিব লাগে। উন্নত গুণ মানৰ শিক্ষা নিশ্চিত কৰি তুলিবলৈ এই স্কুলবোৰৰ শৈক্ষিক পৰিবেশ উন্নত কৰি তুলিব লাগে।

(২) দুৰ্বল স্কুলবোৰৰ প্ৰশাসনীয় ব্যৱস্থা উন্নত কৰি তুলিবৰ বাবে পৰিচালন সমিতিবোৰ অধিক শক্তিশালী কৰি তুলিব লাগে। এনে সমিতিবোৰত চৰকাৰৰ অনুচিত প্ৰভাৱ গুচাব লাগে।

(৩) স্কুলত শিক্ষক নিযুক্তিৰ ব্যৱস্থা উন্নত কৰি তুলিব লাগে। স্কুলবোৰত উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নিযুক্তি দিব লাগে। তেওঁলোকৰ দৰমহা বৃদ্ধি তথা নিয়মীয়া কৰাৰ উপৰিও চাকৰিৰ অন্যান্য সা-সুবিধা বৃদ্ধি কৰিব লাগে যাতে, শিক্ষকতা বৃত্তিৰ প্ৰতি সমাজৰ মানুহৰ আকৰ্ষণ বাঢ়ে।

(৪) মাধ্যমিক শিক্ষাৰ চৰকাৰী পৰিদৰ্শন কাৰ্য অধিক উন্নত আৰু নিয়মীয়া কৰি তুলিব লাগে। এই পৰিদৰ্শকসকলে শিক্ষকসকলৰ লগত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰি শিক্ষাৰ নতুন নীতি আৰু পদ্ধতিবোৰৰ লগত পৰিচয় কৰাই দিব লাগে।

(৫) অসমৰ মাধ্যমিক শিক্ষা বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞান মুখী কৰি তুলিব লাগে। বিজ্ঞানৰ বিষয়সমূহ অধ্যয়নৰ প্ৰতি অধিক তৎপৰ হব লাগে আৰু এই ক্ষেত্ৰত বিষয় শিক্ষকসকলৰ ব্যাপক প্ৰশিক্ষণ কৰ্মশালা অধ্যয়ন আৰু আলোচনা চক্ৰ আদিৰ আয়োজন কৰিব লাগে।

(৬) মাধ্যমিক শিক্ষা বৃত্তিমূলক কাৰণৰ বাবে শেষতীয়াকৈ ১৯৮৬ চনৰ জাতীয় শিক্ষা নীতিত গ্ৰহণ কৰা প্ৰভাৱসমূহ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত অৰ্থকে আদি কৰি দেখা দিয়া অন্তৰায়সমূহ গুচোৱাৰ সকলো ব্যৱস্থা কৰিব লাগে।

(৭) বৃত্তীয় শিক্ষাৰ কৰ্ম নিযুক্তিৰ নতুন নতুন সম্ভাৱনীয়তাসমূহ চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই উদ্ভাৱন কৰিব লাগে। গাঁও অঞ্চলত কৃষিভিত্তিক শিল্পকেন্দ্ৰ আৰু নগৰ অঞ্চলত আধুনিক জীৱনৰ প্ৰয়োজনীভিত্তিক শিল্প প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

(৮) ইংৰাজী আৰু অসমীয়া মাধ্যমৰ স্কুলবোৰৰ মাজত থকা শৈক্ষিক দিশৰ ব্যৱধান হ্ৰাস কৰি তুলিব লাগে। ইয়াৰ বাবে ল'ব লগা প্ৰয়োজনীয় ব্যৱস্থাসমূহ চিনাক্ত কাৰণ কৰি তাক দ্ৰুতভাৱে কাৰ্যকৰী কৰি তুলিব লাগে।

(৯) অসমীয়া মাধ্যমৰ স্কুলবোৰত ইংৰাজী বিষয় উন্নত পদ্ধতিৰে শিক্ষা দিয়াত জোৰ দিব লাগে। ইয়াৰ বাবে শিক্ষকসকলৰ মাজত আলোচনা চক্ৰ, কৰ্মশালা আৰু প্ৰশিক্ষণ শিবিৰ আদি স্থাপনৰ ব্যৱস্থা কৰিব লাগে।

(১০) স্কুলৰ শিক্ষা ব্যৱস্থা নিয়মীয়া বিধৰ কৰি তুলিবৰ বাবে শৈক্ষিক দিনপঞ্জী (Educational calender) প্ৰস্তুত কৰি তুলিব লাগে। ইয়াৰ বাবে সংশ্লিষ্টসকলো কৰ্তৃপক্ষৰ লগত যোগাযোগ স্থাপন আৰু আলোচনা-বিলোচনা কৰিব লাগে।

Scanned with CamScanner